# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-JAN-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। ব্যাপক উছাহ-উদ্দীপনাৰে ৰাজ্যত ভোগৰ উৎসৱ ভোগালী বিহু পালন। অসূয়া-অপ্ৰীতি নাশ কৰি সম্প্ৰীতিৰ কামনাৰে ৰাইজৰ মেজি জ্বলাই অগ্নি সেৱা।

২। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আজি পশ্চিম কাৰ্বি আংলঙত মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ।

৩। **বাগুৰুম্বা দ'হৌ-২০২৬**ৰ বাবে সৰুসজাই ষ্টেডিয়ামত পূৰ্ণগতিত অনুশীলন অব্যাহত।

৪। গুৱাহাটীত ২০২৬ বৰ্ষৰ ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ ট্ৰফীক ক্ৰীড়াপ্ৰেমীৰ বিপুল আদৰণি।

**আৰু**

৫। ৰাজকোটত আজি ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল।

০০০০০০

সমগ্ৰ ৰাজ্যতে আজি ব্যাপক উছাহ-উদ্দীপনাৰে ভোগৰ উৎসৱ ভোগালী বিহু পালন কৰা হৈছে। উৰুকাৰ নিশা প্ৰীতি ভোজ-ভাতৰ পাছত আজি পুৱাই ৰাইজে মেজি জ্বলাই অগ্নিক সেৱা কৰি আশিস লৈছে। ইয়াৰ পাছত অসমীয়া সমাজৰ পৰম্পৰা অনুসৰি জ্যেষ্ঠজনক সেৱা কৰাৰ লগতে কনিষ্ঠজনে আশীৰ্বাদ লৈছে। ভোগালী বিহু উদযাপনৰ লগত সংগতি ৰাখি নামঘৰ আৰু সত্ৰসমূহতো নাম প্ৰসংগৰ আয়োজন কৰা হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত ভোগালী বিহু উপলক্ষে কণীযুঁজৰ লগতে কণ-কণ ল'ৰা-ছোৱালী, মহিলা আৰু বয়োজ্যেষ্ঠ সকলৰ মাজত বিভিন্ন পৰম্পৰাগত খেল-ধেমালিৰ আয়োজন কৰা হৈছে। সম্প্ৰীতি আৰু সমন্বয়ৰ প্ৰতীক ভোগালী বিহুৰ মেজিৰ জুয়ে সমাজৰ পৰা অসূয়া অপ্ৰীতি দূৰ কৰি শান্তি আৰু সম্প্ৰীতি কঢ়িয়াই অনাৰ বাবে ৰাইজে কামনা কৰে।

ইপিনে, ভোগালী বিহু উপলক্ষে ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য্য আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। ৰাজ্যপালগৰাকীয়ে এটা বাৰ্তাত ভোগালী বিহুক অসমৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ অমূল্য সম্পদ বুলি উল্লেখ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ভোগালী বিহুক কৃষিজীৱী চহা সমাজৰ প্ৰাপ্তিৰ আনন্দৰে সমৃদ্ধ তথা অসমীয়াৰ স্পন্দন বুলি অভিহিত কৰে। তেওঁ লগতে সকলোৰে জীৱন সুখ-শান্তি আৰু প্ৰাচুৰ্যৰে ভৰি পৰাৰো কামনা কৰে।

ৰাজ্যৰ অন্য স্থানৰ লগতে সত্ৰ পীঠ মাজুলীতো আজি পুৱতি নিশা ৰাইজে মেজি জ্বলাই অগ্নি দেৱতাৰ সেৱা লয়। উজনি মাজুলীৰ চিৰাম দেৱোত্তৰ গাঁৱৰ মিছিং ৰাইজে চিৰাম দেৱোত্তৰ প্ৰাথমিক বিদ্যালয় প্ৰাংগণত সমজুৱাকৈ আয়োজন কৰা ভোগালী বিহুস্থলীত উৰুকাৰ নিশা ভোজ ভাত খাই আজি পুৱাতে পৰম্পৰা ৰক্ষা কৰি নীতি নিয়মৰ মাজেৰে মেজিত অগ্নি সংযোগ কৰে। দুটাকৈ মেজি সাজি পুৰুষ মেজিৰ ৰূপে প্ৰথমটো মেজি জ্বলাই অগ্নি দেৱতাৰ শলাগ লোৱা হয়। ইয়াৰ কিছু পাছতেই মহিলা মেজিটো জ্বলাই বছৰটোত একো অপায় অমংগল নহ'বলৈ পুনৰবাৰ অগ্নি দেৱতাৰ আশীৰ্বাদ লোৱা হয়। মাজুলীৰ ঐতিহাসিক শ্ৰীশ্ৰীদক্ষিণপাট সত্ৰৰ উদাসীন ভকত বৈষ্ণৱসকলেও পৰম্পৰা ৰক্ষা কৰি মেজি জ্বলাই ভোগালী বিহু উদযাপন কৰিছে। সত্ৰাধিকাৰ ননীগোপাল দেৱগোস্বামীয়ে অসমবাসীলৈ বিহু শুভেচ্ছা জনাই এইদৰে কয়–

*-বাইট-*

ডিব্ৰুগড় জিলাতো মাঘৰ সংক্ৰান্তি আৰু ভোগালী বিহু উপলক্ষে অগ্নি দেৱতাৰ পূজা অৰ্চনা কৰা হয়। গাঁৱৰ ৰাইজে মেজিত জুই পুৰাই মাহ-প্ৰসাদ খোৱাৰ লগতে ৰাজহুৱা সেৱা গ্ৰহণ কৰে। জিলাখনৰ বিভিন্ন অঞ্চল নিশাতে ভোজভাত খোৱা হ'ল যদিও আজিও মটক জনগোষ্ঠী প্ৰধান অঞ্চলসমূহত জনগোষ্ঠীটোৰ পৰম্পৰা অনুযায়ী ৰাজহুৱা ভোজৰ আয়োজন কৰা হৈছে। কালি উৰুকাৰ নিশা ডিব্ৰুগড় বিধানসভা সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী প্ৰশান্ত ফুকনে মোহনবাৰীৰ মিৰিপথাৰ গাঁৱত উপস্থিত হৈ ৰাইজৰ সৈতে উৰুকাৰ ভোজত অংশগ্ৰহণ কৰে।

গোৱালপাৰাতো ৰাভা অধ্যুষিত অঞ্চলসমূহকে ধৰি দুধনৈ, কৃষ্ণাই, ধূপধৰা আদি সকলোতে ভোগৰ উৎসৱ উপলক্ষে আনন্দ মুখৰ পৰিৱেশে বিৰাজ কৰিছে। শিলডাঙা ইলোৱাপাৰাত আজি পুৱা মেজি জ্বলোৱাৰ পাছত দিনৰ ভাগলৈ বিভিন্ন পৰম্পৰাগত খেল-ধেমালি প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

বৰাক উপত্যকাৰ তিনিওখন জিলাত আজি মকৰ সংক্ৰান্তি আৰু ভোগালী বিহু উপলক্ষে ব্যাপক উৎসাহ উদ্দীপনাই বিৰাজ কৰিছে। কাছাৰ জিলাত উৎসৱ মুখৰ পৰিৱেশৰ মাজত আজি পুৱা মেজি জ্বলাই অগ্নি দেৱতাৰ সেৱা লয়। জিলাবাসীয়ে ঘৰে ঘৰে প্ৰস্তুত কৰা পিঠা পনাৰে আজি মকৰ সংক্ৰান্তি আৰু ভোগালী বিহু উদযাপন কৰিছে। বৰাকৰ উৎসৱ-মুখৰ পৰিৱেশটিৰ সবিশেষ বৰ্ণনাৰে এয়া আমাৰ শিলচৰৰ সংবাদদাতা আঁখী দাস।

ধুবুৰীতো ভোগালী বিহুক লৈ আনন্দ মুখৰ পৰিৱেশে বিৰাজ কৰিছে। ঠায়ে ঠায়ে মেজি জ্বলোৱাৰ লগতে শ্ৰীশ্ৰীধাম ৰাইৰায়কুটি সত্ৰ, জিনকাটা সত্ৰ আদি সত্ৰ-নামঘৰসমূহত নাম-কীৰ্তনৰ আয়োজন কৰা হৈছে।

০০০০০০

বৰপেটাত সত্ৰকেন্দ্ৰীক ব্যৱস্থাৰে আজিৰে পৰা মাঘ বিহু উদযাপন কৰা হৈছে। পৰম্পৰা অনুসৰি বৰপেটাৰ বৃহত্তৰ অঞ্চলত আজি গাঁতা ৰখা অৰ্থাৎ উৰুকা পালন কৰা হ'ব। কাইলৈ পুৱা বৰপেটা সত্ৰৰ টুপৰ চোতালত মেজি পুওৱা হ'ব।

লগতে, বৰপেটা তথা কাষৰীয়া আন সত্ৰসমূহতো আজিৰে পৰা মাঘবিহু উদযাপন কৰা হৈছে। সৰভোগৰ ঐতিহ্যমণ্ডিত গৰখীয়া গোসাঁই থান আৰু হাউলীৰ কালঝাৰৰ গোপালআতা সত্ৰতো কেইবাদিনীয়া কাৰ্যসূচীৰে মাঘবিহু পালন কৰা হৈছে। এই দিন কেইটাত মেজিত অগ্নি সংযোগ, নামপ্ৰসংগ, ধৰ্মালোচনা সভা আদি অনুষ্ঠিত হ'ব।

০০০০০০

ন্যায়ালয়ৰ নিৰ্দেশৰ প্ৰতি সন্মান জনাই হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰ কৰ্তৃপক্ষই মাঘৰ দোমাহীত পৰম্পৰাগতভাৱে অনুষ্ঠিত বুলবুলি চৰাইৰ যুঁজ বাতিল কৰাৰ সিদ্ধান্ত লৈছে। উল্লেখযোগ্য যে, অসম চৰকাৰে মহ আৰু বুলিবুলি চৰাইৰ যুঁজৰ অনুমতি প্ৰদান কৰি জাৰি কৰা অধিসূচনা বন্যপ্ৰাণী সুৰক্ষা আইনৰ উলংঘন বুলি গুৱাহাটী উচ্চ ন্যায়ালয়ে ২০২৪ চনৰ ১৭ ডিচেম্বৰত ৰায় প্ৰদান কৰিছিল।

০০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি বৰাক উপত্যকাৰ ৩ টা বিধানসভা সমষ্টিত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা পুঁজিৰ চেক বিতৰণ কৰে। তেওঁ উত্তৰ কৰিমগঞ্জ বিধানসভা সমষ্টিৰ ১৪ হাজাৰ ১৩৫ গৰাকী আত্মসহায়ক গোটৰ মহিলাক উদ্যমিতা পুঁজিৰ ১০ হাজাৰ টকাকৈ চেক প্ৰদান কৰে। শ্ৰীভূমি জিলাৰ ক্ৰীড়া সন্থা খেলপথাৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰীয়ে কয় যে মহিলাসকলক আৰ্থিকভাৱে সবল কৰি ৰাজ্যৰ তৃণমূল পৰ্যায়ৰ বিকাশ সুনিশ্চিত কৰিবলৈ ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ মহিলাসকলক এই ধনৰাশিৰ যথোচিত ব্যৱহাৰেৰে স্বাৱলম্বনৰ পথ মুকলি কৰিবলৈ আহ্বান জনায়। ডঃ শৰ্মাই ইয়াৰ পাছত কাটিগড়া আৰু বৰখলা বিধানসভা সমষ্টিৰ আত্মসহায়ক গোটৰ মহিলাসকলকো উদ্যমিতা আঁচনিৰ অধীনত চেক প্ৰদান কৰে। কাটিগড়া বিধানসভা সমষ্টিত ১৮ হাজাৰ ৫৭৮ গৰাকী মহিলাক ১০ হাজাৰ টকাকৈ চেক প্ৰদান কৰা হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে বৰখলা সমষ্টিৰ ১৯ হাজাৰ

৭৫৬ গৰাকী উদ্যমী মহিলাক চেক বিতৰণ কৰে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী ড° শৰ্মাই এই আঁচনিয়ে মহিলাসকলক স্বাৱলম্বী কৰি তোলাৰ লগতে বিকশিত নতুন অসম গঢ়াত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিব বুলি প্ৰকাশ কৰে।

উল্লেখযোগ্য যে এদিনীয়া ভ্ৰমণসূচীৰে বৰাক উপত্যকালৈ যোৱা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইয়াৰ পূৰ্বে কাছাৰ জিলাৰ শিলচৰত সদ্যপ্ৰয়াত প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী কবিন্দ্ৰ পুৰকায়স্থৰ বাসগৃহত উপস্থিত হৈ পৰিয়ালক সাক্ষাৎ কৰে। ড০ শৰ্মাই প্ৰয়াত নেতাগৰাকীলৈ শ্ৰদ্ধা জ্ঞাপন কৰি শোকসন্তপ্ত পৰিয়ালৰ প্ৰতি সমবেদনা জ্ঞাপন কৰে।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি পশ্চিম কাৰ্বি আংলঙৰ বৈঠালাংচ'ৰ আমৰি বিধানসভা সমষ্টিত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ কৰিব। সমষ্টিটোৰ প্ৰায় ১৪ হাজাৰ মহিলাক উদ্যমিতা পুঁজিৰূপে ১০ হাজাৰকৈ টকা আগবঢ়োৱা হ'ব। বৈঠালাংচ'ৰ ছেৰদিহুন আক্লাম ক্ষেত্ৰত দিনৰ ১১ বজাত অনুষ্ঠিত হ'বলগীয়া এই কাৰ্যসূচীত কাৰ্বি স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং তথা ডিফু লোকসভা সমষ্টিৰ সাংসদ অমৰছিং টিছোও উপস্থিত থকাৰ কথা।

০০০০০০

অহা ১৭ জানুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত গুৱাহাটীৰ সৰু সজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত বাগুৰুম্বা নৃত্য পৰিবেশন কৰা হ'ব। **বাগুৰুম্বা দ'হৌ-২০২৬** শীৰ্ষক এই পৰিৱেশনে বিহু আৰু ঝুমইৰ বিনন্দিনীৰ পাছত বড়োসকলৰ বাগৰুম্বা নৃত্যক বিশ্ব দৰবাৰত তুলি ধৰিব বুলি ৰাজ্য চৰকাৰে আশা প্ৰকাশ কৰিছে। ৮ হাজাৰৰো অধিক শিল্পীয়ে এই লোকনৃত্য পৰিবেশনত অংশগ্ৰহণ কৰিব। সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ষ্টেডিয়ামত অনুষ্ঠানৰ অনুশীলন কাৰ্যসূচী পূৰ্ণগতিত চলি আছে। বাগুৰুম্বা নৃত্য শিল্পীসকলে অংশগ্ৰহণ কৰিছে। উল্লেখযোগ্য যে, এই অনুষ্ঠান উপভোগ কৰিবলৈ আগ্ৰহীসকলে নিজৰ এখন বৈধ পৰিচয়পত্ৰ জমা দি অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্প, পাঞ্জাবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ অথবা আমবাৰীৰ ৰবীন্দ্ৰ ভৱনৰ সাংস্কৃতিক সঞ্চালকালয়ৰ কাৰ্যালয়ৰ পৰা প্ৰৱেশ পত্ৰ সংগ্ৰহ কৰিব পাৰিব।

০০০০০০

২০২৬ বৰ্ষৰ ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ ট্ৰফী কালি গুৱাহাটীলৈ অনা হয়। এই সন্মান্য ট্ৰফীক ৰাজ্য চৰকাৰৰ ক্ৰীড়া বিভাগৰ উদ্যোগত লোক কৃষ্টি সংস্কৃতিৰ প্ৰদৰ্শনেৰে আদৰণি জনোৱা হয়। পুৱাৰ ভাগত বিমানবন্দৰৰ পৰা এই ট্ৰফী সৰুসজাই ষ্টেডিয়ামলৈ আৰু বিয়লিৰ ভাগত বৰ্ষাপাৰাস্থিত এ চি এ ষ্টেডিয়ামলৈ নিয়া হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিশা এই ট্ৰফী মুকলি কৰে। এই কাৰ্যসূচীত প্ৰাক্তন বিশ্বকাপ বিজয়ী তথা ফিফাৰ প্ৰতিনিধি গিলবাৰ্টো আপাৰেচিড' দা ছিল্‌ভা উপস্থিত থাকে। বিশ্বকাপ ফুটবলৰ ট্ৰফীৰ আগমন উপলক্ষে এটি সংগীতানুষ্ঠানৰো আয়োজন কৰা হয়। এই অনুষ্ঠানত ৰিতু ৰিবা, শংকুৰাজ, অনুভৱ জৈন, অনুষ্কা মাস্কিয়ে অংশগ্ৰহণ কৰে। ১২ বছৰৰ অন্তত ভাৰতলৈ আৰু প্ৰথমবাৰলৈ ৰাজ্যলৈ অনা এই ট্ৰফী বৰ্ষাপাৰাৰ ষ্টেডিয়ামত দৰ্শনৰ বাবে ৰাজ্য চৰকাৰে বিনামূলীয়াকৈ ৮-১০ হাজাৰ অনুমতি পত্ৰৰ ব্যৱস্থা কৰিছে।

০০০০০০

মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ যোৱা নিশা নবী মুম্বাইত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে গুজৰাট জায়েণ্টছক ৭ উইকেটত পৰাস্ত কৰে। ডি ৱাই পাটিল স্পৰ্টছ একাডেমীত অনুষ্ঠিত খেলখনত দলটোৱে ১৯৩ ৰানৰ বিজয় লক্ষ্য ১৯ অভাৰত আৰু দুটা বলত ৩টা উইকেট হেৰুৱাই অতিক্ৰম কৰে। মুম্বাইৰ হৈ অধিনায়ক হৰমনপ্ৰীত কৌৰে সৰ্বাধিক ৭১ ৰান কৰে। কৌৰলৈ খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা আগবঢ়োৱা হয়।

ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰাৰ আমন্ত্ৰণ লাভ কৰি গুজৰাটে নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ১৯২ ৰান কৰিছিল। জৰ্জিয়া ৱেৰহামে সৰ্বাধিক ৪৩ ৰান কৰি আউট নোহোৱাকৈ থাকে।

০০০০০০

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া এদিনীয়া শৃংখলাৰ দ্বিতীয়খন খেল আজি ৰাজকোটৰ নিৰঞ্জন শ্বাহ ষ্টেডিয়ামত দিনৰ ডেৰ বজাত অনুষ্ঠিত হ'ব। যোৱা দেওবাৰে বদোদৰাত অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন খেলত নিউজিলেণ্ডক ৪ উইকেটত পৰাস্ত কৰি ভাৰতে শৃংখলাত ১-০ৰ অগ্ৰগতি লাভ কৰিছে। শৃংখলাৰ পৰৱৰ্তী তথা চূড়ান্ত খেলখন অহা দেওবাৰে ইন্দোৰত অনুষ্ঠিত হ'ব।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে সকলো স্বীকৃতিপ্ৰাপ্ত ৰাষ্ট্ৰীয় ক্ৰীড়া ফেডাৰেচনক নিজৰ নিজৰ সংস্থাৰ ভিতৰত আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক আৰু মেক ইন ইণ্ডিয়া ইন স্পোৰ্টচ সম্পৰ্কীয় উৎসৰ্গিত সমিতি গঠন কৰিবলৈ পৰামৰ্শ দিছে। যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে কয় যে এই সমিতিসমূহৰ গঠনে দেশৰ বিশ্বব্যাপী ক্ৰীড়া সংযোগ আৰু ক্ৰীড়া কূটনীতি শক্তিশালী কৰিব আৰু একে সময়তে আত্মনিৰ্ভৰ ভাৰতৰ সৈতে সংগতি ৰাখি ক্ৰীড়া থলুৱা সামৰ্থক উৎসাহ যোগাব। সমিতিখনত ফেডাৰেচনৰ জ্যেষ্ঠ সদস্য প্ৰাক্তন আন্তঃৰাষ্ট্ৰীয় খেলুৱৈ, প্ৰশিক্ষক, গোলকীয় ক্ৰীড়া প্ৰশাসন আৰু কূটনীতিৰ অভিজ্ঞ ব্যক্তিসকল থাকিব।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত ঘন কুঁৱলী পৰাৰ আৰু পাছলৈ বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে বতৰ শুকান হোৱাৰ আৰু অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ কেতবোৰ ঠাইত কুঁৱলী পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**